No. of Printed Pages—2

42 (ASN)

[18–HRGPKAC–M1S (B)]

MA 1st Semester Exam., 2018 (Back)

ASSAMESE

[MAS 03]

(অসমীয়া নাটক)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) বেদনিধি কোন আছিল ? তেওঁ কি কাৰ্য সাধন কৰিছিল ?

(b) শংকৰদেৱে 'ৰুক্মিণী হৰণ' নাট ৰচনা কৰোঁতে কি কি উৎসৰ সহায় লৈছে ?

(c) মদনমঞ্জৰী আৰু লীলাৱতী চৰিত্ৰ দুটাৰ প্ৰধান বৈশিষ্ট্যসমূহ লিখক ।

(d) 'বিল্বমঙ্গল' কোন আছিল ? অসমীয়া নাট্যসাহিত্যৰ লগত তেখেত কেনেদৰে সংলগ্ন হৈ আছে ?

(e) 'অৰ্জুন-ভঞ্জন' নাটখনিত কেনেদৰে হাস্যৰস প্ৰকাশ পাইছে ?

(f) ভাৰতীয় নাট্যক্ষেত্ৰত আৰম্ভ হোৱা 'মূললৈ উভতি যোৱা'ৰ প্ৰক্ৰিয়া অসমীয়া নাটকত কেনেদৰে সম্পন্ন হৈছিল ?

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰক :

অৰুণ অধৰ দুহো কোপে কম্পাৱত
ওষ্ঠ কামুৰি ধৰি দন্ত ।
পটাপুত্ৰ হানি মথনি মাঠি-ভাংগিএ
খুপি বৈঠল ভগৱন্ত ॥

(b) স্বৰাজোত্তৰ কালৰ অসমীয়া পৌৰাণিক নাটকৰ কাহিনী নিৰ্মাণ আৰু চৰিত্ৰ সৃষ্টিৰ বিষয়ে লিখক।

(c) 'ৰূপালীম' নাটকৰ ৰূকমী ৰজা চৰিত্ৰটোৰ বিষয়ে এটি আলচ যুগুত কৰক।

(d) শোষক আৰু শোষিতৰ মাজৰ সংঘাত 'মহাৰাজা' নাটকত কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'আহাৰ' নাটকখনক এখন সাৰ্থক এৱছাৰ্ড নাটক হিচাপে প্ৰতিপাদন কৰক।

(b) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটককেইখনত তেওঁ কেনেদৰে নাৰীৰ মনোজগতখন তুলি ধৰিছে সেই বিষয়ে আলোকপাত কৰক।

(c) আধুনিক অসমীয়া নাটকৰ বিকাশৰ ক্ষেত্ৰত ইংৰাজী আৰু বাংলা নাটকৰ প্ৰভাৱ সম্পৰ্কে আলচ এটি যুগুত কৰক।

(d) 'অৰ্জুন-ভঞ্জন' নাটত কৃষ্ণ-যশোদাৰ চৰিত্ৰ দুটাৰ মাজত চিৰন্তন শিশু আৰু মাতৃৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ আগবঢ়াওক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) অংকীয়া নাট বুলিলে কি বুজে? ভাৰতত প্ৰচলিত একেধৰণৰ বিভিন্ন নাট্য পৰম্পৰাৰ লগত অংকীয়া নাটৰ এটি তুলনামূলক আলোচনা লিখক।

(b) 'ৰুক্মিণী হৰণ' নাটত পঞ্চসন্ধি কেনেদৰে ৰক্ষিত হৈছে তাৰ এটি আলোচনা আগবঢ়াওক।

(c) প্ৰথম আধুনিক অসমীয়া সামাজিক নাটক হিচাপে 'ৰাম-নৱমী' নাটকখনৰ এক পৰ্যালোচনা আগবঢ়াওক।

(d) এৱছাৰ্ড নাটক বুলিলে কি বুজে? 'আহাৰ' নাটকখনত দেখাত স্থিতিশীল অৱস্থা এটাক কেনেকৈ গতিশীল কৰা হৈছে সেই বিষয়ে বহলাই আলোচনা কৰক।

(e) 'মহাৰাজা' নাটকখনৰ গাঁথনিগত আৰ্হিটো কেনেকুৱা সেই বিষয়ে আলোচনা কৰি নাটকখনৰ সংলাপ সম্পৰ্কে বহলাই আলোচনা কৰক।

★ ★ ★